# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। বিহাৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কিছুসময়ৰ পাছত অনুষ্ঠিত হ'ব।

২। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত ভাৰতীয় দূৰ সংযোগ সেৱাৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি নতুন দিল্লীত নেপালৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী অনিল কুমাৰ সিনহাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৪। পশ্চিমবংগসহ উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ মাদকদ্ৰব্য নিবাৰণী কাৰ্যবাহিনীৰ মুৰববীসকলৰ প্ৰথমখন আঞ্চলিক সন্মিলন নাগালেণ্ডত অনুষ্ঠিত হৈছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কিছুসময়ৰ পাছত অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ ৩৮ খন জিলাৰ ৪৬টা কেন্দ্ৰত পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। ৰাজ্যখনৰ ২৪৩টা বিধানসভা সমষ্টিৰ বাবে দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। যিকোনো এটা দলে নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা অৰ্জনৰ বাবে ১২২ খন আসন দখল কৰিব লাগিব। ইতিমধ্যে দুহেজাৰ ৬১৬গৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী হৈ থকা ই ভি এমসমূহ ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। বিহাৰৰ মুখ্য নিৰ্বাচনী বিষয়া বিনোদ সিং গুঞ্জিয়ালে আকাশবাণীৰ সংবাদদাতাক জনোৱা মতে ভোটগ্ৰহণত ব্যৱহাৰ কৰা ই ভি এম আৰু ভিভিপেটসমূহ ষ্ট্ৰং ৰূমত তিনি তৰপীয়া সুৰক্ষা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ভোটগণনা কেন্দ্ৰসমূহত যাৱতীয় সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে আৰু সেই স্থানসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আৰক্ষী বাহিনী নিয়োগ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত ভাৰতীয় দূৰ সংযোগ সেৱাৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰতীয় দূৰসংযোগ সেৱাৰ ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি আয়োজিত এই অনুষ্ঠানত দূৰ সংযোগ ক্ষেত্ৰৰ বিকাশত বিভাগটোৰ অৱদানৰ বিষয়ে আলোকপাত কৰা হয়। ১৯৬৫ চনত ভাৰতীয় দূৰসংযোগ সেৱা গঠন কৰা হৈছিল। দূৰসংযোগ খণ্ডৰ সৈতে

জড়িত বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ প্ৰযুক্তি আৰু ব্যৱস্থাপনা বিষয়ক আৱশ্যকতা পূৰণ কৰাৰ উদ্দেশ্যে এই সেৱা গঠন কৰা হৈছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৯ নৱেম্বৰত তামিলনাডুৰ কইম্বাতুৰলৈ যাব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে তামিলনাডুৰ কৃষক সংস্থাসমূহে আয়োজন কৰা দক্ষিণ ভাৰত প্ৰাকৃতিক শীৰ্ষ সন্মিলনত ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে লগতে জৈৱিক কৃষিত বিশেষ দক্ষতা থকা দাক্ষিণাত্যত বিভিন্ন ৰাজ্যৰ ৫০গৰাকী বিজ্ঞানীৰ সৈতে মত বিনিময় কৰিব। শীৰ্ষ সন্মিলনত প্ৰাকৃতিক খেতিৰ প্ৰসাৰৰ বাবে নীতি-নিয়ম প্ৰস্তুত কৰা হ'ব। শীৰ্ষ সন্মিলনত আয়োজক সমিতিৰ সমন্বয়ক পি আৰ পাণ্ডিয়নে কয় যে ইয়াৰ জৰিয়তে সজাগতা বৃদ্ধি পাব আৰু প্ৰাকৃতিক তথা পুনৰুজ্জীৱিকৰণ  কৃষি পদ্ধতি আঁকোৱালি লবলৈ উৎসাহিত কৰা হ'ব। তেওঁ কয়, যে আৰ্থিক দিশৰ পৰা বিকাশক্ষম আৰু সামাজিক দিশৰ পৰা সৰ্বাত্মক কৃষিব্যৱস্থাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জনসাধাৰণৰ দ্বাৰা পৰিচালিত বিপ্লৱৰ সূচনা কৰাই এই শীৰ্ষ সন্মিলনৰ মূল উদ্দেশ্য। সন্মিলনৰ লগত সংগতি ৰাখি এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই প্ৰদৰ্শনীত প্ৰায় ৩০০খন বিপণী থাকিব আৰু ইয়াৰ সৈতে সংগতি ৰাখি আগশাৰীৰ বিজ্ঞানী আৰু নীতি প্ৰণেতাৰ বিশেষ সত্ৰৰ আয়োজন কৰা হ'ব। এই সত্ৰসমূহত যুৱ প্ৰজন্ম আৰু মহিলাৰ অংশগ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ভাৰতীয় প্ৰাকৃতিক কৃষি ধান আৰু পৰম্পৰাগত কৃষি বিকাশ যোজনাৰ দৰে ৰাষ্ট্ৰীয় উদ্যমসমূহে এই অনুষ্ঠানৰ আঁত ধৰিছে।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা ৪৪ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা IITF অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ ৰাজ্যমন্ত্ৰী জিতিন প্ৰচণ্ডই এই বাণিজ্য মেলা উদ্বোধন কৰিব। এইবাৰৰ এই মেলাৰ বিষয়বস্তু হৈছে–- **এক ভাৰত, শ্ৰেষ্ঠ ভাৰত**। মেলাত উত্তৰ প্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ আৰু বিহাৰ আন্তঃৰাষ্ট্ৰীয় কাৰ্যসূচীৰ অংশীদাৰী ৰাজ্য হ'ব আৰু ঝাৰখণ্ডৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হ'ব। ১৪ দিনীয়া আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ, চীন, ইৰান, দক্ষিণ কোৰিয়া আৰু ইজিপ্তে অংশগ্ৰহণ কৰিব। এই বাণিজ্য মেলা হৈছে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰসাৰৰ এখন উৎকৃষ্ট মঞ্চ। আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ভাৰতীয় বাণিজ্য সংবৰ্ধন সংস্থা IITF ৰ কাৰ্যবাহী সঞ্চালক প্ৰেমজীত লালে প্ৰকাশ কৰা মতে, প্ৰায় ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ লগতে ৬০টাৰো অধিক মন্ত্ৰালয়ে এই মেলাত ভাগ ল'ব।

মেলা অনুষ্ঠিত হোৱাৰ সময়ত দৰ্শনাৰ্থীৰ সুবধা হোৱাকৈ ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মেলাৰ প্ৰথম ৫ দিন ব্যৱসায়িক শিতানৰ বাবে ৰখা হৈছে আৰু অহা ১৯ নৱেম্বৰৰ পৰা সাধাৰণ জনতাৰ বাবে মুকলি থাকিব।

০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কালি নতুন দিল্লীত নেপালৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী অনিল কুমাৰ সিনহাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত ভাৰত আৰু নেপালৰ মাজৰ পৰিবহণ চুক্তিৰ নীতি-নিময়ৰ সংশোধন কৰি বিনিময়-পত্ৰ আদান প্ৰদান কৰা হয়। ইয়াৰ ফলত জোগ-বণি বিৰাট নগৰ ৰে'ল লিংকৰ মাধ্যমেৰে দুয়োখন দেশৰ মাজত পোটপটীয়া ৰে'ল সম্পৰ্ক গঢ়ি উঠিব বুলি বাণিজ্য আৰু উদ্যোগ

মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই উদ্যমৰ জৰিয়তে কলকাতা আৰু বিশাখাপট্টনম বন্দৰৰ পৰা নেপাললৈ পৰিবহণ সুগম হৈ উঠিব। ভাৰত আৰু নেপালৰ প্ৰধানমন্ত্ৰীদ্বয়ে ২০২৩ চনৰ পহিলা জুনত ভাৰতৰ আৰ্থিক সাহায্যৰে নিৰ্মিত কৰি উলিওৱা এই ৰে'ল লিংক প্ৰকল্প উদ্বোধন কৰিছিল। এই ব্যৱস্থাসমূহে দুয়ো দেশৰ মাজত অৰ্থনৈতিক আৰু বাণিজ্য সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব বুলি আশা কৰা হৈছে। বৈঠকত সংহত পহৰা চকী আৰু অন্য আন্তঃগাঁথনিৰ বিকাশকে ধৰি সীমান্তৰে যোগাযোগ আৰু ব্যৱসায়িক সুবিধা বৃদ্ধিৰ বিষয়লৈও আলোচনা কৰা হয়।

ooooo

পশ্চিমবংগসহ উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ মাদকদ্ৰব্য নিবাৰণী কাৰ্যবাহিনীৰ মুৰব্বীসকলৰ প্ৰথমখন আঞ্চলিক সন্মিলন নাগালেণ্ডৰ আৰক্ষী চৌহদৰ চুমৌকেদিমাত আৰম্ভ হৈছে। নাগালেণ্ড আৰক্ষীয়ে মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যু'ৰৰ সহযোগত এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। নিচামুক্ত ভাৰত অভিযানৰ অধীনত আয়োজিত এই সন্মিলনত মাদকদ্ৰব্যৰ যোগান নিয়ন্ত্ৰণ, পুনৰ বাসন, বলৱৎকৰণ আৰু নিচামুক্তি বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সন্মিলনত অংশগ্ৰহণ কৰি নাগালেণ্ডৰ আৰক্ষী সঞ্চালক প্ৰধান ৰুপীন শৰ্মাই মাদকদ্ৰব্য বিৰোধী যুঁজৰ দিশৰ পৰা উত্তৰ-পূৰ্বাঞ্চলক গুৰুত্বপূৰ্ণ এলেকা বুলি অভিহিত কৰে আৰু ৰাজ্য কেইখন সন্মুখীন হোৱা সুকীয়া প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰে। তেওঁ ১৯৮৫ চনৰ মাদকদ্ৰব্য অধিনিয়মৰ সংশোধন আৰু উত্তৰ-পূৰ্বাঞ্চল মাদকদ্ৰব্য সৰবৰাহ প্ৰতিৰোধী সংস্থা গঠনসহ ভালেমান নীতিগত সংসস্কাৰৰ বাবে আহ্বান জনায়। অনুষ্ঠানতভাগ লৈ ৰাষ্ট্ৰীয় মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যু'ৰ সঞ্চালক প্ৰধান অনুৰাগ গাৰ্গে এই বিভীষিকা দূৰ কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত বিধি বলৱৎকাৰী, চোৰাংচোৱা আৰু সুৰক্ষা সংস্থাসমূহৰ মাজত শক্তিশালী সমন্বয়ৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। সন্মিলনত মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যু'ৰ, সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয় আৰু পশ্চিমবংগসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ আৰক্ষী বিষয়াসকলে অংশগ্ৰহণ কৰিছে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। খেলখন পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ পাছত শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে টেম্বা বাভুমাৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও জয়ৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰিব। এই শৃংখলাটো বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চলিত চিজনৰ বাবেও গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। ২০২৫-২৭ চিজনত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা ২-২ ফলাফলেৰে সমাপ্ত কৰাৰ বিপৰীতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা ২-০ ফলাফলত হস্তগত কৰিছিল। বৰ্তমানৰ বিশ্ব চেম্পিয়ন দক্ষিণ আফ্ৰিকাই বিগত মাহত পাকিস্তানৰ বিৰুদ্ধে অংশ লোৱা শৃংখলাটো ১-১ ফলাফলত অমীমাংসিতভাৱে সমাপ্ত হৈছিল। ভাৰতীয় দলটোৰ সহ প্ৰশিক্ষক ৰায়ান টেন দছেটে পৰৱৰ্তী বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হোৱাৰ দিশৰ পৰা ভাৰতীয় দলৰ বাবে আজিৰে পৰা আৰম্ভ হ'বলগীয়া শৃংখলাটো অতি গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শৃংখলাৰ দ্বিতীয়খন খেল ২২ৰ পৰা ২৬ নৱেম্বৰলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

ইপিনে, ভাৰতীয় এ দলে কালি গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত  প্ৰথমখন অনানুষ্ঠানিক এদিনীয়া খেলত দক্ষিণ আফ্ৰিকা এ দলক ৪ উইকেটত পৰাস্ত কৰে। ভাৰতে ২৮৬ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৯ অভাৰ আৰু তিনিটা বলত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ হৈ ঋতুৰাজ গাইকোৱাড়ে ১২৯টা বলত ১১৭ ৰান কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ২৮৫ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ ডেলানো পটগিটৰে ৯০টা বলত ১০৫ ৰান কৰে। ভাৰতৰ হৈ অৰ্শ্বদ্বীপ সিং আৰু হৰ্ষিত ৰাণাই দুটাকৈ উইকেট লাভ কৰে।

ooooo

ভাৰতীয় গ্ৰেণ্ড মাষ্টাৰ অৰ্জুন এৰিগেইছী আৰু পি হৰিকৃষ্ণাই ফিডে বিশ্বকাপ ডবা প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। গোৱাৰ পানাজীত অনুষ্ঠিত প্ৰতিযোগিতাৰ চতুৰ্থ ৰাউণ্ডৰ খেলত এৰিগেইছীয়ে হাংগেৰীৰ পিটাৰ লেকোক আৰু পি হৰিকৃষ্ণাই ছুইডেনৰ নিল্‌ছ গ্ৰেণ্ডেলিয়নছক পৰাভূত কৰে। ইপিনে, ভাৰতৰ আন এগৰাকী খেলুৱৈ আৰ. প্ৰজ্ঞানন্দা ডেনিয়েল ডুবোভৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooo

**সমাপ্ত**